**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 16-08-2025
**Time:** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

১। ভাৰতে আমেৰিকা আৰু ৰাছিয়াৰ মাজত আলাস্কাত অনুষ্ঠিত বৈঠকক আদৰণি জনাইছে আৰু কৈছে যে, শান্তি প্ৰতিষ্ঠাৰ বাবে উভয় দেশৰ নেতৃত্ব প্ৰশংসনীয়।

২। বৈদেশিক মন্ত্ৰী ড০ এছ্ জয়শংকৰে আজি নতুন দিল্লীত দক্ষিণ কোৰিয়াৰ বিদেশ মন্ত্ৰী চৌ হুয়ুনৰ সৈতে এখন দ্বিপাক্ষিক বৈঠকত মিলিত হয়।

৩। গ্ৰুপ কেপ্টেইন শুভাংশু শুক্লাই মহাকাশত অৱস্থিত পৰীক্ষাগাৰত ১৮ দিনীয়া সফল অভিযান সম্পূৰ্ণ কৰি ভাৰতৈল উভতি আহিছে।

৪। ভাৰতে প্ৰথমবাৰৰ বাবে সৰ্ববৃহৎ আন্তঃৰাষ্ট্ৰীয় শীতকালীন ক্ৰীড়া মহোৎসৱৰ আয়োজন কৰিছে।

আৰু

৫। অষ্ট্ৰেলিয়ান ক্ৰিকেট দলৰ প্ৰাক্তন অধিনায়ক, প্ৰশিক্ষক ব'ব চিম্পচনৰ আজি ছিদনীত ৮৯ বছৰ বয়সত মৃত্যু হয়।

0000000

ভাৰতে আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্প আৰু ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমিৰ পুটিনৰ মাজত আলাস্কাত অনুষ্ঠিত বৈঠকক আদৰণি জনাইছে আৰু কৈছে যে, শান্তি প্ৰতিষ্ঠাৰ বাবে উভয় দেশৰ নেতৃত্ব প্ৰশংসনীয়। বৈদেশিক মন্ত্ৰালয়ে বৈঠকত হোৱা আলোচনাৰ অগ্ৰগতিৰ প্ৰশংসা কৰে আৰু কয়, যে কেৱল আলোচনা আৰু কূটনীতিৰ জৰিয়তেহে শান্তি প্ৰতিষ্ঠা সম্ভৱ। মন্ত্ৰালয়ে কয়, যে সমগ্ৰ বিশ্বই অতি শীঘ্ৰেই ইউক্ৰেইনৰ সংঘৰ্ষ সমাপ্ত হোৱাটো বিচাৰে। ৰাষ্ট্ৰপতি ডোনাল্ড ট্ৰাম্পে যুদ্ধ সমাপ্ত কৰাৰ বাবে ইউক্ৰেইনে ৰাছিয়াৰ সৈতে বুজাবুজি কৰা উচিত বুলি পৰামৰ্শ আগবঢ়াইছে। ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমিৰ পুটিনৰ সৈতে প্ৰায় তিনি ঘণ্টাধৰি চলা বৈঠকৰ অন্তত শ্ৰী ট্ৰাম্পে এই পৰামৰ্শ আগবঢ়ায়। উল্লেখযোগ্য যে ২০২২ চনৰ ফেব্ৰুৱাৰী মাহত ৰাছিয়াই ইউক্ৰেইনক আক্ৰমণ কৰাৰ পাছত আমেৰিকা আৰু ৰাছিয়াৰ মাজত কালি আলাস্কাত প্ৰথমবাৰৰ বাবে বৈঠক অনুষ্ঠিত হয়। ৰাছিয়াৰ ৰাষ্ট্ৰপতি পুটিনে আমেৰিকাৰ সৈতে হোৱা আলোচনাৰ পাছত ইউক্ৰেইনত শান্তি প্ৰতিষ্ঠাৰ ক্ষেত্ৰত যথেষ্ট সহায় হ'ব বুলি আশা প্ৰকাশ কৰে। ইউক্ৰেইনৰ ৰাষ্ট্ৰপতি ভ'ল'ডিমিৰ জেলেনস্কি পৰহিলৈ ৱাশ্বিংটনত আমেৰিকাৰ ৰাষ্ট্ৰপতি ডোনাল্ড ট্ৰাম্পৰ সৈতে বৈঠক মিলিত হোৱাৰ কথা প্ৰকাশ কৰিছে।

0000000

বিদেশ মন্ত্ৰী ড০ এছ্ জয়শংকৰে আজি নতুন দিল্লীত দক্ষিণ কোৰিয়াৰ বিদেশ মন্ত্ৰী চৌ হুয়ুনৰ সৈতে এখন দ্বিপাক্ষিক বৈঠকত মিলিত হয়। সামাজিক মাধ্যমৰ এটা বাৰ্তাত ড০ জয়শংকৰে কয়, যে দুয়োজন নেতাৰ মাজত বাণিজ্য, উৎপাদন, সামুদ্ৰিক উন্নয়ন আৰু জনকল্যাণৰ বাবে সহযোগিতা বৃদ্ধিৰ উদ্দেশ্যে বিভিন্ন বিষয়ত আলোচনা কৰা হয়। তেওঁ

লগতে কয়, যে দুয়োজন নেতাই কৃত্ৰিম বুদ্ধিমত্তা, ছেমি কণ্ডাক্টৰ, শক্তি আৰু প্ৰতিৰক্ষাকে ধৰি বিভিন্ন খণ্ডত নতুন সুযোগৰ অন্বেষণ কৰে। ভাৰত আৰু কোৰিয়াৰ মাজৰ কৌশলগত অংশীদাৰিত্বৰ দশম বাৰ্ষিক উপলক্ষে দুয়োখন দেশৰ মাজত থকা গভীৰ সমন্বয় আৰু সু-সম্পৰ্কৰ বাবেও ড০ জয়শংকৰে প্ৰশংসা কৰে।

0000000

বিদেশ সচিব বিক্ৰম মিশ্ৰিয়ে কাইলৈ দুদিনীয়া চৰকাৰী ভ্ৰমণসূচীৰে নেপাললৈ যাব। নেপালৰ বৈদেশিক সচিব অমৃত বাহাদুৰ ৰায়ৰ আমন্ত্ৰণ মৰ্মে শ্ৰী মিশ্ৰি দেশখনলৈ যাব। ছেপ্টেম্বৰত নেপালৰ প্ৰধানমন্ত্ৰী কে পি শৰ্মা অ'লিৰ সম্ভাব্য নেপাল ভ্ৰণৰ পূৰ্বে সচিব পৰ্যায়ৰ বৈঠক অনুষ্ঠিত হ'ব। বৈঠকত উভয় দেশৰ সীমান্ত সুৰক্ষা, বিমান পৰিবহণ, শক্তি খণ্ডকে ধৰি আন বিভিন্ন ক্ষেত্ৰত থকা সহযোগিতা অধিক বৃদ্ধি কৰাৰ সন্দৰ্ভত আলোচনা হোৱাৰ সম্ভাৱনা আছে। উল্লেখযোগ্য যে, ভাৰত আৰু নেপালৰ মাজত শক্তিশালী আৰু বন্ধুত্বসুলভ সম্পৰ্ক আছে আৰু যোৱা কিছু বছৰত বিভিন্ন ক্ষেত্ৰত থকা সহযোগিতা যথেষ্ট বৃদ্ধি পাইছে। ভাৰতে চুবুৰীয়া ৰাষ্ট্ৰ প্ৰথম নীতি অধীনত ভাৰতে নেপালৰ সৈতে থকা সম্পৰ্কক শীৰ্ষ অগ্ৰাধিকাৰ প্ৰদান কৰি আহিছে।

0000000

চীনৰ বৈদেশিক মন্ত্ৰী ৱাং ই পৰহিলৈ দুদিনীয়া ভ্ৰমণসূচীৰে ভাৰতলৈ আহিব। ৰাষ্ট্ৰীয় নিৰাপত্তা উপদেষ্টা অজিত দোভালৰ আমন্ত্ৰণ মৰ্মে নেতাগৰাকী ভাৰতলৈ আহিব। ভ্ৰমণৰ সময়ছোৱাত চীনৰ বৈদেশিক মন্ত্ৰীগৰাকীয়ে ভাৰত-চীন সীমান্ত বিষয় বন্দৰ্ভত ভাৰতৰ বিশেষ প্ৰতিনিধি অজিত দোভালৰ সৈতে ২৪ সংখ্যক বিশেষ প্ৰতিনিধি আলোচনা বৈঠকত মিলিত হ'ব। ভাৰতৰ বৈদেশিক মন্ত্ৰী ড০ এছ্ জয়শংকৰে ৱাং ইৰ সৈতে এখন দ্বিপাক্ষিক বৈঠকত মিলিত হয়।

0000000

জম্মু-কাশ্মীৰৰ মুখ্যমন্ত্ৰী ওমৰ আব্দুল্লাই আজি ডাৱৰ বিস্ফোৰণৰ ফলত সৃষ্টি হোৱা বানপানীত ক্ষতিগ্ৰস্ত কিস্তৱাৰৰ ছশ্ব'তী গাঁও পৰিদৰ্শন কৰে। আকাশবাণী জম্মুৰ সংবাদদাতাই জনোৱা মতে মুখ্যমন্ত্ৰীয়ে অঞ্চলটোৰ সাহায্য আৰু উদ্ধাৰ অভিযানৰ বুজ লয়। মুখ্যমন্ত্ৰী শ্ৰী আব্দুল্লাই ক্ষতিগ্ৰস্ত লোকসকলক মুখ্যমন্ত্ৰীৰ সঁহাৰি পুঁজিৰ পৰা এককালিন সাহায্য দিয়াৰ কথা ঘোষণা কৰে। তেওঁ কয়, যে মৃত লোকসকলৰ পৰিয়াললৈ দুই লাখকৈ টকা, গুৰুতৰভাৱে আহতসকলৰ পৰিয়াললৈ এক লাখকৈ টকা আৰু আহতসকলৰ পৰিয়াললৈ ৫০ হাজাৰকৈ টকা আগবঢ়োৱা হ'ব।

ইপিনে জম্মু-কাশ্মীৰ প্ৰশাসনে শেহতীয়া বানত আৱদ্ধ হৈ থকা তীৰ্থ যাত্ৰীসকলৰ ওভটনি যাত্ৰা যাতে সুৰক্ষিত হয়, সেইটো সুনিশ্চিত কৰাৰ বাবে মাছাইল মাতা যাত্ৰীসকলৰ বাবে জম্মুলৈ বিনামূলীয়া বাছ সেৱাৰ ব্যৱস্থা কৰিছে।

0000000

জম্মু-কাশ্মীৰৰ ৰাজ্যপাল মনোজ সিন্হাই আজি কিস্তৱাৰৰ ছশ্ব'তী অঞ্চলৰ শেহতীয়া উদ্ধাৰ আৰু সাহায্য অভিযানৰ পৰ্যালোচনা চলোৱাৰ লগতে এই পৰিস্থিতি সন্দৰ্ভত জ্যেষ্ঠ বিষয়াসকলৰ সৈতে আলোচনাত মিলিত হয়। আমাৰ জম্মুৰ সংবাদদাতাই জনোৱা মতে সামাজিক মাধ্যমত দিয়া এটা বাৰ্তাত ৰাজ্যপাল গৰাকীয়ে ক্ষতিগ্ৰস্ত বাসগৃহসমূহ পুনৰ নিৰ্মাণ কৰাৰ লগতে ক্ষতিগ্ৰস্ত পৰিয়ালসমূহক যাতে অত্যাৱশ্যকীয় সামগ্ৰী যোগান আৰু তাৎক্ষণিক সকাহ প্ৰদান কৰিব পৰা যায় সেইটো সুনিশ্চিত কৰাৰ বাবে সংশ্লিষ্ট বিষয়াসকলক নিৰ্দেশ দিছে। ৰাজ্যপালগৰাকীয়ে এই ডাৱৰ বিস্ফোৰণৰ ভুক্তভোগীসকলক

সম্পূৰ্ণ সহযোগ আগবঢ়োৱা ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰে। অঞ্চলটোত সেনা, এন ডি আৰ এফ, এছ দি আৰ এই আৰু স্থানীয় প্ৰশাসনে ২৪ ঘণ্টা সেৱা আগবঢ়াই আছে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পাৰ্চী নৱবৰ্ষ উপলক্ষে দেশবাসীক শুভেচ্ছা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমত দিয়া এটা বাৰ্তাত শ্ৰী মোদীয়ে কয়, যে ৰাষ্ট্ৰৰ প্ৰতি পাৰ্চীসকলে আগবঢ়াই অহা অৱদানৰ বাবে দেশ গৌৰৱান্বিত। তেওঁ এই নৱবৰ্ষই যাতে সকলোলৈ সুখ, সমৃদ্ধি আৰু সুস্বাস্থ্যৰ বাৰ্তা কঢ়িয়াই আনে তাৰেই আশা কৰে।

০০০০০০০

লোকসভাৰ বিৰোধী দলপতি তথা জেষ্ঠ্য কংগ্ৰেছ নেতা ৰাহুল গান্ধীয়ে কাইলৈ বিহাৰৰ চাচাৰামৰ পৰা “ভোটাৰ অধিকাৰ যাত্ৰাৰ” শুভাৰম্ভ কৰিব। পৰৱৰ্তী ১৬ দিনলৈ চলিব লগা এই যাত্ৰাই বিহাৰৰ ১৬খন জিলাক সামৰি ল’ব। বিহাৰ প্ৰদেশ কংগ্ৰেছৰ প্ৰাক্তন সভাপতি অখিলেশ প্ৰসাদ সিঙে আজি পাতনাত এখন সংবাদ মেল সম্বোধন কৰি কয় যে ১৩০০ কিঃমি যোৱা এই যাত্ৰাত ৰাষ্ট্ৰীয় জনতা দলৰ নেতা তেজস্বী প্ৰসাদ যাদৱৰ লগতে INDIA মিত্ৰযোটৰ অন্য দলসমূহেও অংশগ্ৰহন কৰিব। এই ভোটাৰ অধিকাৰ যাত্ৰাত ইলেক্টৰেল ৰোলৰ শেহতীয়া অনিয়মৰ বিষয়টো উত্থাপন হ’ব বুলিও নেতাজনে সংবাদমেলত প্ৰকাশ কৰে।

০০০০০০০

আন্তঃৰাষ্ট্ৰীয় মহাকাশ কেন্দ্ৰ, আই. এছ. এছ. ভ্ৰমণ কৰা প্ৰথমগৰাকী ভাৰতীয় গ্ৰুপ কেপ্টেইন শুভাংশু শুক্লাই মহাকাশত অৱস্থিত পৰীক্ষাগাৰত ১৮ দিনীয়া সফল অভিযান সম্পূৰ্ণ কৰি ভাৰতলৈ উভতি আহিছে। সফল মহাকাশ অভিযানৰ পিছত পুনৰ্বাসনৰ বাবে আমেৰিকাত থকা ভাৰতীয় মহাকাশচাৰীজন কাইলৈ ভাৰতত উপস্থিত হ’ব বুলি আশা কৰা হৈছে। সামাজিক মাধ্যমত শুভাংশু শুক্লাই তেওঁৰ মহাকাশ যাত্ৰা আৰু বন্ধুবৰ্গ আৰু পৰিয়ালৰ সৈতে সাক্ষাৎ কৰাৰ উত্তেজনাৰ কথা স্মৰণ কৰি এটা আৱেগিক পোষ্ট শ্বেয়াৰ কৰিছিল।

উল্লেখযোগ্য যে বিশ্বৰ এগৰাকী আগশাৰীৰ মহাকাশচাৰী আৰু ভাৰতীয় বায়ু সেনাৰ বিষয়া শুভাংশু শুক্লা এক্সিঅ'ম-4 অভিযানৰ পাইলট আছিল। এই অভিযানত তেওঁ মহাকাশত বৈজ্ঞানিক গৱেষণা আগবঢ়াই নিয়াৰ লক্ষ্যৰে কেইবাটাও মাইক্ৰ 'গ্ৰেভিটি পৰীক্ষা-নিৰীক্ষা কৰিছিল। অহা বছৰৰ শেষৰ ফালে মুকলি হ’বলগা ভাৰতৰ প্ৰথমটো মানৱ মহাকাশ অভিযান গগনযানৰ বাবে বাছনি কৰা মহাকাশচাৰীসকলৰ ভিতৰত শুভাংশু শুক্লা অন্যতম।

০০০০০০০

ভাৰতে প্ৰথমবাৰৰ বাবে সৰ্ববৃহৎ আন্তঃৰাষ্ট্ৰীয় শীতকালীন ক্ৰীড়া মহোৎসৱৰ আয়োজন কৰিছে। ডেৰাদুনৰ ৰায়পুৰৰ মহাৰাণা প্ৰতাপ ক্ৰীড়া মহাবিদ্যালয়ত অহা ২০ আগষ্টৰ পৰা ২৩ আগষ্টলৈ চলিত বৰ্ষৰ এছিয়ান অ'পেন শ্বৰ্ট ট্ৰেক স্পীড স্কেটিং প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। এই প্ৰতিযোগিতাত এছিয়াৰ ১১ খনতকৈও অধিক দেশে অংশগ্ৰহণ কৰিব। ভাৰতৰ উপৰি চীন, জাপান, হংকং, ইণ্ডোনেছিয়া, ছিংগাপুৰ, থাইলেণ্ড, চীনা টাইপে, ভিয়েটনাম, মালয়েছিয়া আৰু ফিলিপিনে এই প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিব।

০০০০০০০

অষ্ট্ৰেলিয়ান ক্ৰিকেট দলৰ প্ৰাক্তন অধিনায়ক, প্ৰশিক্ষক ব'ব চিম্পচনৰ আজি চিদনীত ৮৯ বছৰ বয়সত মৃত্যু হয়। এজন অপেনিং বেটছমেন, স্পীনাৰ, সুদক্ষ ফিল্ডাৰ আৰু প্ৰশিক্ষক হিচাপে ক্ৰিকেট বিশ্বতে সমাদৃত ব'ব চিম্পচনে অষ্ট্ৰেলিয়াক এছেজ, বিশ্বকাপৰ উপৰিও বহুকেইখন আগশাৰীৰ শৃংখলাত নেতৃত্ব দিছিল। অষ্ট্ৰেলিয়াৰ হৈ ৬২ খন টেষ্ট খেলা চিম্পচনে ১০টা শতক আৰু ২৭ টা অৰ্ধশতকেৰে মুঠ ৪৮৬৯ ৰান সংগ্ৰহ কৰিছিল।

০০০০০০০

ভাৰতৰ স্কোৱাছ খেলুৱৈ আনাহাট সিং অষ্ট্ৰেলিয়াত চলি থকা এন এছ ডব্লিউ বেগা অ'পেন প্ৰতিযোগিতাৰ ফাইনেলত প্ৰৱেশ কৰিছে। ১৭ বছৰীয়া খেলুৱৈগৰাকীয়ে ৫৪ মিনিট ধৰি চলা তীব্ৰ প্ৰতিদ্বন্দ্বিতামূলক ছেমিফাইনেল খেলত ইজিপ্তৰ নৌৰ খাফাগিক ১০-১২, ১১-৫, ১১-৫, ১০-১২, ১১-৭ ফলাফলত পৰাস্ত কৰে। আঘাটসত্বেও আনাহাটে খেলখনত সুন্দৰ খেল প্ৰদৰ্শন কৰে। খেলুৱৈগৰাকী ফাইনেলত ইজিপ্তৰ হাবিবা হানিৰ বিৰুদ্ধে খেলিব। হানিয়ে ছেমিফাইনেলত ভাৰতৰ আকাংক্ষা ছালুংকেক ৩-১ ফলাফলত পৰাস্ত কৰিছে। আনাহাট সিঙে ইয়াৰ পূৰ্বে ফাইনেলত দক্ষিণ আফ্ৰিকাৰ হেইলে ৱাৰ্ডক পৰাস্ত কৰিছিল।

০০০০০০০

আমেৰিকা যুক্তৰাষ্ট্ৰই অহাবৰ্ষত অনুষ্ঠিত হ'বলগা ১৯ বছৰ অনুৰ্ধ পুৰুষৰ বিশ্বকাপৰ মূল পৰ্বত খেলাৰ বাবে যোগ্যতা অৰ্জন কৰিছে। জৰ্জিয়াৰ ৰাইডেলত চলি থকা যোগ্যতা নিৰ্ণয়কাৰী খেলসমূহত অধিনায়ক অৰ্জুন মাহেশৰ নেতৃত্বত শক্তিশালী প্ৰদৰ্শনেৰে আমেৰিকাই কানাডা, বাৰ্মুডা, আৰু আৰ্জেন্টিনাক পৰাস্ত কৰি বিশ্বকাপলৈ যোগ্যতা লাভ কৰিছে। জিম্বাবৱে আৰু নামিবিয়াই যুটীয়াভাৱে আয়োজন কৰিব লগা বিশ্বকাপৰ আন ১৫ টা দ'ল হৈছে যোৱাবাৰৰ বিজয়ী অষ্ট্ৰেলিয়া, আয়োজক জিম্বাবৱে, ভাৰত, ইংলেণ্ড, পাকিস্তান, দক্ষিণ আফ্ৰিকা, শ্ৰী লংকা, নিউজিলেণ্ড, বাংলাদেশ, তাঞ্জানিয়া, জাপান আৰু স্কটলেণ্ড।

০০০০০০০

সমাপ্ত